# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-05-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি সামৰণি পৰিব। এই পৰ্যায়ত অহা ২০ মে'ত ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

২। বিদেশ মন্ত্ৰালয়ে কম্বোদিয়া আৰু দক্ষিণ-পূব এছিয়ালৈ কৰ্মসংস্থাপন বিচাৰি যোৱা ভাৰতীয় নাগৰিকসকলক এজেণ্টৰ পৰা সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

৩। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, নাগালেণ্ড, মণিপুৰ, ছিকিম, অৰুণাচল প্ৰদেশ আৰু মেলালায়ৰ ঠাই বিশেষে সোমবাৰ পৰ্যন্ত বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে।

৪। ভাৰতৰ পোয়মন্তী বৈশ্য আৰু আকাশৰ যুটীটোৱে বিশ্ব টেবুল টেনিছ ফিডৰ প্ৰতিযোগিতাৰ মিক্সড ডাবলছৰ খিতাপ অৰ্জন কৰিছে। *আৰু*

৫। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা মুম্বাইত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ১৮ ৰানত পৰাস্ত কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি সামৰণি পৰিব। এই পৰ্যায়ত অহা ২০ মে'ত ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পঞ্চম পৰ্যায়ৰ প্ৰচাৰৰ সামৰণি ক্ষণ চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ অন্তিম প্ৰয়াসত ব্ৰতী হৈছে।

আনহাতে, দেশৰ বিভিন্ন প্ৰান্তত ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান অব্যাহত আছে। ষষ্ঠ পৰ্যায়ত ২৫ মে'ত আৰু সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কালি মুম্বাইত এন ডি এৰ এখন নিৰ্বাচনী সভাত ভাষণ দি এইবাৰৰ নিৰ্বাচনত বিজেপিয়ে অভিলেখ সংখ্যক আসনত জয়ী হ'ব বুলি আস্থা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কয় যে, তেওঁ ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ বাবে অহৰ্নিশে কাম কৰি আছে আৰু সাধাৰণ ৰাইজৰ জীৱন সৰল কৰি তোলাই তেওঁৰ অগ্ৰাধিকাৰ। মুম্বাইক সপোন নগৰী বুলি অভিহিত কৰি শ্ৰীমোদীয়ে চহৰখনক পাবলগীয়া সকলোখিনি দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। তেওঁ কয় যে, ভাৰতৰ সৈতে স্বাধীনতা লাভ কৰা ভালেকেইখন দেশ ভাৰতকৈ আগবাঢ়ি যাবলৈ সমৰ্থ হৈছে। কিন্তু পূৰ্বৰ চৰকাৰসমূহে দেশৰ নাগৰিকৰ শক্তিত বিশ্বাস নকৰাৰ বাবে ভাৰত পিছ পৰি ৰৈছে। তেওঁ লগতে মহাত্মা গান্ধীৰ পৰামৰ্শ মৰ্মে স্বাধীনতাৰ পাছতে

কংগ্ৰেছ ভাঙি দিয়া হ'লে দেশ ৫০ বছৰ আগত থাকিলেহেঁতেন বুলি দাবী কৰে। শ্ৰীমোদীয়ে লগতে বিগত ১০ বছৰত কেন্দ্ৰীয় চৰকাৰে কৰা উন্নয়নমূলক কাম-কাজৰ পৰ্যালোচনা চলায়।

নিৰ্বাচনী সভাত ভাগ লোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ড° বাবা চাহেব আম্বেকদাৰ আৰু স্বতন্ত্ৰবীৰ বিনায়ক দামোদৰ ছাৰৰকাৰলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। সভাত অংশগ্ৰহণ কৰি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে কয় যে, মোদীৰ বাহিৰে কাৰোৱেই দেশক নেতৃত্ব দিয়াৰ সামৰ্থ্য নাই। আনহাতে এম এন এছৰ মুৰববী ৰাজ থাকৰে মাৰাঠী ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ বাবে দাবী জনায়।

সভাত ভাষণ দি মহাৰাষ্ট্ৰৰ উপ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে মুম্বাই পৌৰ নিকায়ৰ কেলেংকাৰিক লৈ উদ্ধৱ থাকৰেক তীব্ৰ সমালোচনা কৰে। শ্ৰীফাড়নবিছে লগতে তেওঁ মুখ্যমন্ত্ৰী হৈ থকা সময়ছোৱাত মহাৰাষ্ট্ৰলৈ সৰ্বাধিক সংখ্যক উদ্যোগৰ আগমন ঘটা বুলি দাবী কৰে। মহাৰাষ্ট্ৰৰ আন এগৰাকী উপ মুখ্যমন্ত্ৰী অজিত পাৱাৰ, কেন্দ্ৰীয় মন্ত্ৰী ৰামদাস আঠাৱালে আৰু এন ডি এৰ অন্য জ্যেষ্ঠ নেতাসকল সভাত উপস্থিত থাকে।

ইপিনে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি মুম্বাইৰ বি কে চিত আই এন ডি আই মিত্ৰজোঁটৰ এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ কয় যে, যিকোনো পৰিস্থিতিত ড° বাবা চাহেব আম্বেদকাৰৰ সংবিধান অক্ষুন্ন থাকিব আৰু দেশৰ জনসাধাৰণে ভাৰততো একাংশ ৰাষ্ট্ৰৰ দৰে পৰিস্থিতি উদ্ভৱ হ'ব নিদিয়ে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে বিৰোধী পক্ষৰ নেতাসকলক কাৰাগাৰলৈ প্ৰেৰণ কৰাৰ বাবে বিধি বলৱৎকাৰী সঞ্চালকালয়, চি বি আই আৰু আয়কৰ বিভাগৰ অপ প্ৰয়োগ কৰিছে।

সভাত অংশগ্ৰহণ কৰি এন চি পিৰ শাৰদ পাৱাৰ গোটৰ মুৰববী শাৰদ পাৱাৰে ভোটদাতাসকলক দেশত সংসদীয় গণতন্ত্ৰ শক্তিশালী কৰাৰ স্বাৰ্থত আই এন ডি আই মিত্ৰজোঁটৰ হকে ভোটদান কৰিবলৈ আহ্বান জনায়।

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে সভাত অংশ লৈ এন ডি এ চৰকাৰে বিৰোধী পক্ষক আক্ৰমণৰ লক্ষ্য কৰি তেওঁলোকক  ধ্বংস কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ উত্থাপন কৰে। শিৱসেনা ইউ বি টিৰ মুৰববী উদ্ধৱ থাকৰেই ঘাটকোপাৰত হৰ্ডিং খহি পৰাৰ ঘটনাৰ বলি হোৱাসকল শোকত ম্ৰিয়মান হৈ থকাৰ সময়তে প্ৰধানমন্ত্ৰীয়ে ৰোড শ্ব'ত অংশগ্ৰহণ কৰাক গৰিহণা দিয়ে। আই এন ডি আই মিত্ৰজোঁটৰ ভালেসংখ্যক আগশাৰীৰ নেতা বৈঠকত উপস্থিত থাকে।

বিহাৰতো লোকসভা নিৰ্বাচনৰ পঞ্চম আৰু পৰৱৰ্তী দুটা পৰ্যায়ৰ বাবে ব্যাপক প্ৰচাৰ অব্যাহত আছে। এন ডি এ আৰু মহা মিত্ৰজোঁটৰ তাৰকা প্ৰচাৰকসকলে কালি ৰাজ্যখনৰ বিভিন্ন অংশত কেইবাখনো নিৰ্বাচনী সভাত ভাগ লয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে ছাৰণ লোকসভা সমষ্টিৰ আমন'ৰত এখন সভাত ভাষণ দি আৰ জে ডি আৰু কংগ্ৰেছে ধৰ্ম ভিত্তিক সংৰক্ষণৰ সমৰ্থন কৰি দেশক বিভাজিত কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ তোলে। তেওঁ লগতে মুছলমানৰ বাবে সংৰক্ষণৰ সমৰ্থন কৰা বাবে আৰ জে ডিৰ মুৰববী লালুপ্ৰসাদ যাদৱক সমালোচনা কৰে। জে ডি ইউৰ সভাপতি তথা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰেও পৰিয়ালকেন্দ্ৰিক ৰাজনীতিত উদগণি যোগোৱাৰ বাবে লালুপ্ৰসাদক সমালোচনা কৰে। ৰাষ্ট্ৰীয় লোক মৰ্চা, লোক জনশক্তি পাৰ্টী (ৰামবিলাস) আৰু হিন্দুস্তানী আৱাম মৰ্চাৰ নেতাসকলেও এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলৰ হকে ঠায়ে ঠায়ে প্ৰচাৰ চলায়। মহা মিত্ৰজোঁটৰ অন্তৰ্ভুক্ত আৰ জে ডি, কংগ্ৰেছ, বিকাশশীল ইনচান পাৰ্টী আৰু বাওঁ দলৰ নেতাসকলেও নিৰ্বাচন হ'বলগীয়া ঠাইসমূহত কেইবাখনো সভাত ভাগ লয়। আৰ জে ডি নেতা তেজস্বী প্ৰসাদ যাদৱে কালি মধুবনী,

সীতামঢ়ী আৰু ছাৰণ লোকসভা সমষ্টিত কেইবাখনো নিৰ্বাচনী সভা সম্বোধন কৰে। শ্ৰীযাদৱে বিজেপিয়ে ভেদাভেদৰ নীতি অনুসৰণ কৰা বুলি অভিযোগ তোলে। ২০১৯ চনৰ লোকসভা নিৰ্বাচনত এন ডি এ বিহাৰত ৩৯ খন আসন লাভ কৰা সত্বেও ৰাজ্যখনক বিশেষ মৰ্যাদা প্ৰদান নকৰা বুলি তেওঁ উল্লেখ কৰে। বিকাশশীল ইনচান পাৰ্টীৰ নেতা মুকেশ সাহানীয়েও মহা মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হকে প্ৰচাৰত ভাগ লয়।

ইফালে, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি ঝাৰখণ্ডৰ ৰাজধানী ৰাঁচীত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।  ৰোড শ্ব'ত ভালেসংখ্যক লোকে ভাগ লয়। এই উপলক্ষে শ্ৰীশ্বাহে কয় যে, ৰোড শ্ব'ৰ প্ৰতি বিপুল সঁহাৰিৰ পৰা ৰাজ্যখনত যে দুৰ্নীতিৰ পৰাজয় ঘটিব আৰু এখন সৎ তথা স্বচ্ছ চৰকাৰ নিৰ্বাচিত হ'ব সেয়া স্পষ্ট হৈ পৰিছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, নাগালেণ্ড, মণিপুৰ, ছিকিম, অৰুণাচল প্ৰদেশ আৰু মেলালায়ৰ ঠাই বিশেষে সোমবাৰ পৰ্যন্ত বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাটোৱে লগতে দাক্ষিণাত্যত ২৩ মে'লৈকে ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। বিভাগটোৱে দেশৰ উত্তৰ-পশ্চিম, মধ্য আৰু পূব অংশ পৰৱৰ্তী কেইদিনমানৰ বাবে গ্ৰীষ্মপ্ৰবাহৰ সন্মুখীন হ'ব পাৰে বুলি সকীয়াই দিছে। বিভাগ প্ৰকাশ কৰা মতে, ৰাজস্থান, পাঞ্জাৱ, হাৰিয়ানা আৰু দিল্লীত মঙলবাৰেলৈকে গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থকাৰ সম্ভাৱনা আছে।

ooooo

বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে কম্বোডিয়া আৰু দক্ষিণ-পূব এছিয়ালৈ সংস্থাপন বিচাৰি যোৱা ভাৰতীয় নাগৰিকসকলক ভুৱা এজেণ্টৰপৰা সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। কম্বোডিয়া আৰু লাওছত থকা ভাৰতীয় দূতাবাসে জানিবলৈ দিছে যে, ভাৰতত থকা প্ৰতিনিধিৰ সৈতে লগ হৈ ভুৱা এজেণ্টসকলে চাইবাৰ অপৰাধৰ সৈতে জড়িত কোম্পানীসমূহৰ প্ৰতি মানুহক প্ৰলোভিত কৰি আছে। কম্বোডিয়াত কোনো লোকে কৰ্মসংস্থাপন বিচাৰিলে কেৱল বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ দ্বাৰা অনুমোদিত এজেণ্টকহে বিশ্বাসত লবলৈ ভাৰতীয় দুতাবাসে আহ্বান জনাইছে। কল চেণ্টাৰ কেলেংকাৰী আৰু ক্ৰিপ্টো-মুদ্ৰাৰ জালিয়াতিৰ সৈতে জড়িত সন্দেহজনক কোম্পানীসমূহৰ 'ডিজিটেল চেলছ এণ্ড মাৰ্কেটিং এক্সিকিউটিভ' বা 'কাষ্টমাৰ চাপৰ্ট চাৰ্ভিচ' আদি পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰি ভাৰতীয় সকলক প্ৰলোভিত কৰাৰ তথ্য পোহৰলৈ আহিছে। ডুবাই, বেংকক, ছিংগাপুৰ আৰু ভাৰতত থকা এজেণ্টসকলে সাধাৰণ সাক্ষাৎকাৰ আৰু টাইপিং পৰীক্ষা গ্ৰহণ কৰিয়েই চাকৰি প্ৰত্যাশী ভাৰতীয়সকলক উচ্চ হাৰৰ দৰমহা, হোটেল বুকিংৰ লগতে বিমানৰ টিকট আৰু ভিছাৰ সুবিধা আগবঢ়াই । পৰৱৰ্তী সময়ত এইলোকসকলক থাইলেণ্ডৰ পৰা অবৈধভাৱে সীমান্ত পাৰ কৰি লাওছলৈ লৈ যোৱা হয় আৰু কঠোৰ চৰ্ত অনুযায়ী বিশেষ অৰ্থনৈতিক মণ্ডলত কাম কৰিবলৈ বন্দী কৰি ৰখা হয়

ooooo

ভাৰতৰ পোয়মন্তী বৈশ্য আৰু আকাশৰ যুটীটোৱে তুৰস্কৰ কপ্পদোছিয়াত অনুষ্ঠিত বিশ্ব টেবুল টেনিছ ফিডৰ প্ৰতিযোগিতাৰ মিক্সড ডাবলছৰ খিতাপ অৰ্জন কৰিছে। পোয়মন্তী আৰু আকাশৰ যুটীটোৱে কালি ফাইনেলত ভাৰতৰে অনিৰ্বাণ ঘোষ আৰু স্বাত্বিকা ঘোষৰ যুটীটোক ৩-২ ফলাফলত পৰাস্ত কৰে।

০০০০০

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছক ১৮ ৰানত পৰাস্ত কৰে। খেলখনত লক্ষ্ণৌ দলে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২১৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৯৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। লক্ষ্ণৌৰ হৈ নবীন উল  হক আৰু আৰ বিষ্ণ'য়ে দুটাকৈ উইকেট দখল কৰে।

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ কালিৰ খেলখনত জয়লাভ কৰাৰ পাছতো প্ৰতিযোগীৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে। মুম্বাই ইণ্ডিয়ানছ ইতিপূৰ্বে এই দৌৰৰ পৰা বাহিৰ হৈছে। প্ৰতিযোগিতাত আজি বেংগালুৰৰ এম ছিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ইজৰাইলৰ সেনা বাহিনীয়ে গাজা অঞ্চলৰ পৰা তিনিগৰাকী পণবন্দীৰ শৰদেহ উদ্ধাৰ কৰিছে। ইজৰাইল প্ৰতিৰক্ষা বাহিনী আই ডি এফে প্ৰকাশ কৰা মতে, শৰদেহ কেইটাৰ ছানী লৌক, অমিত বুস্কিলা আৰু ইট্‌জাকৰ বুলি চিনাক্ত কৰা হৈছে।

০০০০০

**সমাপ্ত**